# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-01-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে স্বামিত্ব আঁচনিৰ অধীনত ৬৫ লাখৰো অধিক সম্পত্তি কাৰ্ড বিতৰণ কৰিব।

২। সংসদৰ বাজেট অধিৱেশন অহা ৩১ জানুৱাৰীত আৰম্ভ হ'ব।

৩। ৭০-জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ সামৰণি পৰাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলসমূহ প্ৰচাৰ অভিযানত নামি পৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দক্ষিণ কেলিফৰ্নিয়াৰ লছ এঞ্জেলছৰ বিধবংসী বনজুইত কমেও ২৭ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১২ হাজাৰ ৩০০ৰো অধিক আন্তঃগাঁথনি জুইত জাহ গৈছে।

*আৰু*

৫। খো খো বিশ্বকাপত ভাৰতৰ পুৰুষ আৰু মহিলা দুয়োটা দলেই ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ১০ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫০ হাজাৰৰো অধিক গাঁৱৰ সম্পত্তিৰ স্বত্বাধিকাৰীক স্বামিত্ব আঁচনিৰ অধীনত ৬৫ লাখৰো অধিক সম্পত্তি কাৰ্ড বিতৰণ কৰিব। কেন্দ্ৰীয় চৰকাৰে জৰীপৰ বাবে অত্যাধুনিক ড্ৰোণ প্ৰযুক্তিৰ মাধ্যমেৰে পৰিয়ালসমূহক অধিকাৰৰ লিখিত প্ৰমাণ অৰ্থাৎ ৰেকৰ্ড অব্ ৰাইটছ প্ৰদান কৰি গ্ৰামাঞ্চলৰ আৰ্থিক বিকাশ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই আঁচনিখন আৰম্ভ কৰিছে। আঁচনিখনে সম্পত্তিৰ মুদ্ৰাকৰণত সুবিধা প্ৰদান কৰাৰ লগতে বেংক ঋণৰ জৰিয়তে প্ৰতিষ্ঠানগত ঋণ লাভৰ পথ সুগম কৰি তোলে। ইয়াৰ উপৰি সম্পত্তি সম্পৰ্কীয় বিবাদ হ্ৰাস কৰাত সহায় কৰে আৰু গ্ৰামাঞ্চলত সম্পত্তিৰ মূল্যায়ন তথা সম্পত্তি কৰ সংগ্ৰহ সূচল কৰি তোলে।

বৰ্তমানলৈকে ১৩ লাখ ১৭ হাজাৰৰো অধিক গাঁৱৰ ড্ৰোণ জৰীপ সম্পূৰ্ণ হৈছে আৰু এই সংখ্যা নিৰ্ধাৰিত লক্ষ্যৰ প্ৰায় ৯২ শতাংশ। আঁচনিখনৰ অধীনত এতিয়ালৈকে ১ লাখ ৫৩ হাজাৰৰো অধিক গাঁৱৰ বাবে প্ৰায় ২ কোটি ২৫ লাখ সম্পত্তি কাৰ্ড প্ৰস্তুত কৰি উলিওৱা হৈছে। পুডুচেৰী, আন্দামান নিকোবৰ দ্বীপপুঞ্জ, ত্ৰিপুৰা, গোৱা, উত্তৰাখণ্ড আৰু হাৰিয়ানাত এই আঁচনিৰ কাম সম্পূৰ্ণ হৈছে। মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, ছত্তিশগড় আৰু কেইবাখনো কেন্দ্ৰীয়শাসিত অঞ্চলতো ড্ৰোণ জৰীপ সম্পন্ন হৈছে।

০০০০০

সংসদৰ বাজেট অধিৱেশন অহা ৩১ জানুৱাৰীত আৰম্ভ হ'ব। বাজেট অধিৱেশনৰ প্ৰথম দিনা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত ভাষণ দিব। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা

সীতাৰমনে ১ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় বাজেট দাখিল কৰিব। বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায় ৩১ জানুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ আৰু দ্বিতীয় পৰ্যায় ১০ মাৰ্চৰ পৰা ৪ এপ্ৰিললৈ অনুষ্ঠিত হ'ব।

ooooo

৭০-জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া কালি সমাপ্ত হয়। দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে এহেজাৰৰো অধিক প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনা বিজেপিৰ শিখা ৰয় আৰু নীৰজ বছেয়া, আম আদমী পাৰ্টীৰ অবধ ওজা, ৰাখী বিদলান আৰু বন্দনা কুমাৰীকে ধৰি বহুকেইগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। সোমবাৰে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

মনোনয়ন দাখিল প্ৰক্ৰিয়া অন্ত পৰাৰ লগে লগে আম আদমী পাৰ্টী, বিজেপি আৰু কংগ্ৰেছকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহ প্ৰচাৰ অভিযানত নামি পৰিছে। জ্যেষ্ঠ বিজেপি নেতা অনুৰাগ সিং ঠাকুৰ, দলৰ সাংসদ বাঞ্চুৰী স্বৰাজ আৰু দিল্লী বিজেপিৰ কেইবাগৰাকীও নেতাই কালি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়।

নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে কালি প্ৰথমখন নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰে। দলৰ সভাপতি জে পি নাড্ডাই এই ইস্তাহাৰত ৰাষ্ট্ৰীয় ৰাজধানীখনৰ দৰিদ্ৰ মহিলাসকলক প্ৰতি মাহে দুহেজাৰ ৫০০ টকাকৈ দিয়াৰ লগতে প্ৰতিটো গেছ চিলিণ্ডাৰত ৫০০ টকাৰ ৰাজসাহায্য দিয়াৰ কথা ঘোষণা কৰে। আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত ৫ লাখ টকা পৰ্যন্ত চিকিৎসা সুবিধা প্ৰদান কৰাৰ কথাও ইস্তাহাৰত উল্লেখ কৰা হয়।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুছ গোৱেলে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ব্ৰুছেলছ ভ্ৰমণ কৰিব। এই ভ্ৰমণ কালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ইউৰোপীয় বাণিজ্য আৰু অৰ্থনৈতিক নিৰাপত্তাৰ আয়োগৰ অধ্যক্ষ মাৰ্কোচ চেফকোভিকৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। এই বৈঠকত ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তিকে ধৰি অন্যান্য দ্বিপাক্ষিক বাণিজ্যৰ সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হ'ব বুলি আশা কৰা হৈছে। দুয়োগৰাকী নেতাই লগতে আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক পৰিস্থিতি সন্দৰ্ভতো আলোচনা কৰিব। এই ভ্ৰমণে ইউৰোপীয় সংঘৰ সৈতে বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই ভ্ৰমণৰ সুযোগতে শ্ৰীগোৱেলে বিশ্ব বাণিজ্য সংস্থাৰ সঞ্চালক প্ৰধান ড° গ'জী অকঞ্জো ইউৱেলা আৰু বেলজিয়ামৰ  বৈদেশিক পৰিক্ৰমা, ইউৰোপীয় পৰিক্ৰমা আৰু বৈদেশিক বাণিজ্য মন্ত্ৰী বাৰ্ণাড কুইণ্টিনক সাক্ষাৎ কৰাৰ সম্ভাৱণা আছে। তেওঁ লগতে বেলজিয়ামৰ উদ্যোগিক প্ৰতিনিধি আৰু তাত বাস কৰা ভাৰতীয় সমূদায়ৰ লোকসকলৰ সৈতে মত বিনিময় অনুষ্ঠানত ভাগ ল'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে  শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়,

আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ দক্ষিণ কেলিফৰ্নিয়াৰ লছ এঞ্জেলছৰ বিধবংসী বনজুইত কমেও ২৭ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১২ হাজাৰ ৩০০ৰো অধিক আন্তঃগাঁথনি জুইত জাহ যায়। লছ এঞ্জেলছৰ আঢ্যৱন্ত এলেকা পেলিচেডছৰ সৰ্ববৃহৎ বনজুইকুৰা সম্প্ৰতি অঞ্চলটোৰ ২৩ হাজাৰ ৭১৩ একৰ ভূমিলৈ বিয়পি পৰিছে। কেলিফৰ্নিয়াৰ বন আৰু জুই নিৰ্বাপন বিভাগে জনোৱা মতে যোৱা ৭ জানুৱাৰীত সূত্ৰপাত হোৱা এই বন জুই ২২ শতাংশহে নিৰ্বাপণ কৰিব পৰা হৈছে। ইপিনে, আল্টাডেনা আৰু পাছাডেনা অঞ্চলৰ সমীপৰ ইটনত সূত্ৰপাত হোৱা আন একুৰা বনজুই অঞ্চলটোৰ ১৪ হাজাৰ ১১৭ একৰ ভূমিলৈ বিয়পি পৰাৰ কথা কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০

গ্ৰাহকৰ বাবে সুলভতা নিশ্চিত কৰিবলৈ আৰু সুস্থিৰ মূল্য বৰ্তাই ৰাখিবলৈ অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ মূল্য আৰু উপলব্ধতা কেন্দ্ৰই তীক্ষ্ণ দৃষ্টিৰে নিৰীক্ষণ কৰি আছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ৰ এটা সূত্ৰই কয় যে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ উপলব্ধতা আৰু ব্যয়সাধ্যতা নিৰীক্ষণ কৰি থকা হৈছে। মন্ত্ৰালয়ৰ সূত্ৰটোৱে জনোৱা মতে, যোৱা বিত্তীয় বৰ্ষৰ তুলনাত এইবেলি দালি আৰু পিঁয়াজৰ উৎপাদন বৃদ্ধি পাইছে। লগতে কৈছে, যে এইবাৰ চানা দাইলৰ উৎপাদন ৩৫ লাখ মেট্ৰিক টনৰ ওপৰত হ'ব বুলি অনুমান কৰা হৈছে। যোৱা বছৰৰ ৩৪ লাখ মেট্ৰিক টনৰ তুলনাত এই পৰিমাণ এইবেলি ২.৫ শতাংশ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। একেদৰে যোৱা বছৰত ১১.৫৪ লাখ মেট্ৰিক টন মগু উৎপাদন হৈছিল যদিও এইবাৰ এই পৰিমাণ ১৩.৮৩ লাখ মেট্ৰিক টন হ'ব বুলি অনুমান কৰা হৈছে। অনুকূল জলবায়ুৰ বাবে আলুৰ বীজ লগোৱাৰ কামো ভালদৰে আগবাঢ়িছে বুলি জানিব পৰা গৈছে।

০০০০০

নতুন দিল্লীত চলি থকা খো খো বিশ্বকাপ ২০২৫ প্ৰতিযোগিতাত ভাৰতৰ পুৰুষ আৰু মহিলা দুয়োটা দলে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাখনত দুয়োটা দলেই বৰ্তমানলৈকে সকলো মেচতে অপৰাজেয় হৈ আছে। ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত কালি শ্ৰীলংকাৰ বিৰুদ্ধে ১০০ আৰু ৪০ ফলাফলত ভাৰতীয় পুৰুষৰ দলটোৱে জয়লাভ কৰে। শ্ৰীলংকাই বহু চেষ্টা কৰিও ভাৰতৰ আগ্ৰাসী স্থিতিৰ সৈতে মেকাবিলা কৰিব নোৱাৰিলে। কালিৰ খেলখনত ৰামজী কাশ্যপে শ্ৰেষ্ঠ খেলুৱৈ আৰু ভি সুব্ৰমণীয়ে শ্ৰেষ্ঠ আক্ৰমণকাৰীৰ বঁটা লাভ কৰে। শ্ৰীলংকাৰ দলটোৰ ছাচিনাডুক মেচখনৰ শ্ৰেষ্ঠ ডিফেণ্ডাৰ হিচাপে নিৰ্বাচিত কৰা হয়। ইফালে ভাৰতীয় মহিলা দলটোৱে কালি আন এখন খেলত বাংলাদেশক ১০৯ আৰু ১৬ফলাফলত পৰাস্ত কৰে। অশ্বনী শিণ্ডেক শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান আৰু ঋতু ৰাণী সেনক শ্ৰেষ্ঠ ডিফেণ্ডাৰৰ সন্মান প্ৰদান কৰা হয়। মগাই মাঝিক খেলখনৰ শ্ৰেষ্ঠ আক্ৰমণকাৰীৰ সন্মান প্ৰদান কৰা হয়।

০০০০০

অষ্ট্ৰেলিয়ান অ'পেন টেনিছত আজি পুৰুষৰ ডাবলছ শাখাৰ দ্বিতীয় ৰাউণ্ডত ভাৰত-মেক্সিকান যুটি এন শ্ৰীৰাম বালাজী আৰু মিগেল এঞ্জেল ৰেয়েছ-ভাৰেলাৰ পৰ্তুগীজ যুটি নুনো বৰ্গেছ আৰু ফ্ৰান্সিস্কো কেব্ৰালৰ মুখামুখি হ'ব। ইয়াৰ পূৰ্বে ভাৰত-মেক্সিকান যুটিটোৱে প্ৰথম ৰাউণ্ডত কাজাখাস্তানৰ আলেকজেণ্ডাৰ নেড'ভিয়েছভ আৰু নেদাৰলেণ্ডৰ ৰবিন হাছেক পোনপটীয়া ছেটত পৰাস্ত কৰিছিল। কালি ভাৰতীয় খেলুৱৈ ৰোহন বোপান্নাই তেওঁৰ সংগী চীনৰ জাং ছুয়াইৰ সৈতে পোনপটীয়া ছেটত জয়লাভ কৰি মিক্সড ডাবলছ শাখাৰ দ্বিতীয় ৰাউণ্ডলৈ আগবাঢ়িছে। পুৰুষৰ একক শাখাত ১০ বাৰৰ অষ্ট্ৰেলিয়ান অ'পেন চেম্পিয়ন ন'ভাক জ'কভিচ, দ্বিতীয় স্থানৰ খেলুৱৈ আলেকজেণ্ডাৰ ঝভেৰেভ আৰু তৃতীয় স্থানৰ খেলুৱৈ কাৰ্লোছ আলকাৰাজে প্ৰতিযোগিতাৰ চতুৰ্থ ৰাউণ্ডলৈ আগবাঢ়িছে। ইফালে, মহিলাৰ একক শাখাত আৰিনা ছাবালেংকা আৰু কোকো গাউফেও চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০০

ইণ্ডিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত আজি সন্ধিয়া নতুন দিল্লীৰ কে ডি যাদৱ ইনড'ৰ ষ্টেডিয়ামত তৃতীয় স্থানত থকা মালয়েছিয়ান যুটি গহ চে ফেই আৰু নুৰ ইজ্জুদ্দিন ভাৰতীয় পুৰুষৰ ডাবলছৰ যুটি চিৰাগ শ্বেট্টী আৰু সাতৱিকসাইৰাজ ৰেংকিৰেড্ডীৰ মুখামুখি হ'ব। কালি সন্ধিয়া কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় যুটিটোৱে দক্ষিণ কোৰিয়াৰ জিন ইয়ং আৰু কাং মিন-হ্যুকক ২১-১০, ২১-১৭ ফলাফলত পৰাস্ত কৰে।

০০০০০

**সমাপ্ত**